Krishna Kanta Handiqui State Open University

MA 1st Sem. Examination, 2016

Subject : Assamese

Paper - 02

অসমীয়া কবিতা

Time : 3 Hrs. *Full Marks : 80*

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) দাৰিকপাদৰ চৰ্যাটোৰ ভাষাৰ কিহৰ সৈতে মিল আছে বুলি কোৱা হয়? ইয়াত ব্যৱহাৰ কৰা পুৰণি অসমীয়া শব্দবোৰ উল্লেখ কৰক।

(খ) অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ লগত চৰ্যাপদৰ ধ্বনিতত্ত্বৰ সম্পৰ্ক আছেনে? যিকোনো দুটা উল্লেখ কৰক।

(গ) চৰ্যাপদৰ ছন্দ সম্পৰ্কে লিখক।

(ঘ) মাধৱ কন্দলিৰ বিষয়ে শংকৰদেৱে কৰা মন্তব্যটো উল্লেখ কৰক।

(ঙ) মূল ৰামায়ণত (বাল্মীকিকৃত) সুন্দৰা কাণ্ডত কিমানটা সৰ্গ আৰু শ্লোক আছে? এই কথাখিনি মাধৱ কন্দলিয়ে কিমানটা অধ্যায় আৰু পদত সমাপ্ত কৰিছে?

(চ) সুন্দৰাকাণ্ডত প্ৰয়োগ হোৱা অলংকাৰ সম্পৰ্কে উদাহৰণসহ উল্লেখ কৰক।

২। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমীয়া ৰমন্যাসিক কবিতাত দেখা পোৱা লক্ষণসমূহৰ বিষয়ে চমুকৈ লিখক।

(খ) অসমীয়া কবিতাৰ ইতিহাসত প্ৰথম ছনেট ৰচোতা হিচাপে হেমচন্দ্ৰ গোস্বামীক মূল্যায়ন কৰক।

(গ) দেৱকান্ত বৰুৱাৰ কবিতাৰ মূল সুৰটো কি? চমুকৈ লিখক।

(ঘ) নৱকান্ত বৰুৱাৰ কবিতাত প্ৰতিভাত হোৱা বিশেষত্বসমূহ উল্লেখ কৰক।

৩। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) "চন্দ্ৰকুমাৰ আগৰৱালাৰ বীণ-বৰাগী কবিতাটোৰ বীণখনি কবিৰ কল্পনা প্ৰৱণতা আৰু সৃষ্টিশীলতাৰ দ্যোতক।"— কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

(খ) প্ৰসংগ সংগতিসহ ব্যাখ্যা কৰক—

"তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত
কবিতাৰ কাব্যে তাৰ গোন্ধকো নাপায়।"

(গ) 'দেৱদাসী' কবিতাটোৰ এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

(ঘ) "বোধিদ্ৰুমৰ খৰি' কবিতাটোত বুদ্ধৰ জ্ঞান আৰু দৰ্শনৰ সাৰ্থক প্ৰয়োগ ঘটিছে।"— কথাষাৰ প্ৰতিপাদন কৰক।

৪। তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) আপোনাৰ পাঠ্যবিষয়ৰ অন্তৰ্গত জিকিৰ আৰু দেহ বিচাৰৰ গীত দুটাৰ তাত্ত্বিক আৰু দাৰ্শনিক দিশ সম্পৰ্কে এটি তুলনাত্মক আলোচনা প্ৰস্তুত কৰক।

(খ) আপোনাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত চৰ্যাপদ কেইটাত ধৰ্মীয় দৰ্শন আৰু তৎকালীন সমাজৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে সেই বিষয়ে বহলাই আলোচনা আগবঢ়াওক।

(গ) 'হনুমন্তৰ লংকা দৰ্শন'ৰ আধাৰত হনুমানে প্ৰত্যক্ষ কৰা লংকা নগৰীৰ বৰ্ণনা দাঙি ধৰি তাৰ মাজেদি কাব্যিক সৌন্দৰ্য কেনেদৰে উদ্ভাসিত হৈছে দাঙি ধৰক।

(ঘ) পাঠবিষয়ত অন্তৰ্ভুক্ত বৰগীত দুটাৰ আধাৰত বৰগীতত আধ্যাত্মিক তত্ত্বৰ প্ৰকাশ কেনেদৰে ঘটে সেই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

(ঙ) "লখিমী'ত মানৱ সভ্যতা আৰু জীৱন পৰিক্ৰমাৰ ঐতিহ্য তথা সহজ-সৰল মানুহৰ জীৱনবোধৰ চিত্ৰ প্ৰতিফলিত হৈছে।"— যুক্তিসহ কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

—— × ——